# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-April-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। কিংবদন্তি গায়িকা আশা ভোশলেৰ ৯২ বছৰ বয়সত দেহাৰসান।

২। ৰঙালী বিহুলৈ মাজত এদিন বাকী থকা অৱস্থাত ৰাজ্যবাসীৰ বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৩। কোকৰাঝাৰ জিলাৰ বাওখুংগ্ৰী পাহাৰত আজিৰে পৰা ত্ৰয়োদশ বাওখুংগ্ৰী মহোৎসৱ।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু গুজৰাট টাইটানছ মুখামুখি।

০০০০০

কিংবদন্তি গায়িকা তথা পদ্মবিভূষণ বঁটাৰে সন্মানিত আশা ভোশলেৰ মৃত্যুত আজি সমগ্ৰ দেশবাসী ম্ৰিয়মান হৈ পৰিছে। ৯২ বছৰ বয়সত মুম্বাইত আজি দেহাৰসান ঘটা কণ্ঠশিল্পীগৰাকীক হৃদযন্ত্ৰৰ সংক্ৰমণৰ বাবে কালি সন্ধিয়া মুম্বাইৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কাইলৈ বিয়লি ৪বজাত শিৱাজী পাৰ্কত তেওঁৰ অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব।

কেইবাদশক ধৰি আধুনিক ভাৰতৰ সংগীত জগতৰ অন্যতম শ্ৰেষ্ঠ কণ্ঠশিল্পী হিচাপে পৰিগণিত হৈ থকা আশা ভোশলেয়ে ৯ বছৰ বয়সত তেওঁৰ সাংস্কৃতিক যাত্ৰা আৰম্ভ কৰিছিল। ১৯৪৩ চনত প্ৰথমটো গীত বাণীবদ্ধ কৰা সুকণ্ঠি গায়িকাগৰাকীয়ে পাছলৈ হিন্দী চলচ্চিত্ৰ জগতত বিশিষ্ট স্থান লাভ কৰিবলৈ সক্ষম হয়।

*(গান)*

কিংবদন্তি গায়িকা লতা মংগেশকাৰৰ ভগ্নী আশা ভোচলেই হিন্দী, মাৰাঠী, বাংলা, গুজৰাটী, পাঞ্জাবী, ভোজপুৰী, তামিল, মালায়ালম, অসমীয়া আৰু ইংৰাজী ভাষাকে ধৰি বিভিন্ন ভাষাত ১২ হাজাৰতকৈও অধিক গীত বাণীবদ্ধ কৰিছিল। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ পৰিচালনাত তেওঁ কেইবাখনো অসমীয়া ছবিতো কণ্ঠদান কৰিছিল। ২০০৯ চনত ৱৰ্ল্ড ৰেকৰ্ডছ একাডেমী নামৰ এটা আন্তৰ্জাতিক সংগঠনে তেওঁক বিশ্বৰ সৰ্বাধিক গীত বাণীবদ্ধকৰা শিল্পী হিচাপে স্বীকৃতি দিয়ে। বোলছবি গীতৰ উপৰি পপ সংগীত, গজল, ভজন, ভাৰতীয় শাস্ত্ৰীয় সংগীত, লোকসংগীত, ৰবীন্দ্ৰ সংগীত আদি সকলো প্ৰকাৰৰ গীত গাই জনপ্ৰিয়তা অৰ্জন কৰা কোকিলকণ্ঠী গায়িকাগৰাকীক ২০০০ চনত ভাৰত চৰকাৰে দাদা চাহেব ফাল্কে বঁটা আৰু ২০০৮ চনত পদ্ম বিভূষণ সন্মান প্ৰদান কৰে। ১৯৯৭ চনত তেওঁ প্ৰথম ভাৰতীয় হিচাপে গ্ৰেমী পুৰস্কাৰৰ বাবে মনোনয়ন লাভ কৰিছিল।

কণ্ঠ শিল্পীগৰাকীৰ মৃত্যুত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বৰ্মা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰী তথা বোলছবি আৰু সংগীত জগতৰ লোকসকলে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

ooooo

অসমবাসীৰ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত এদিন বাকী থকা অৱস্থাত ৰাজ্যবাসীৰ বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। উজনিৰ পৰা নামনিলৈ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰাজ্যখনৰ বিভিন্ন অঞ্চল নিশা ঢোলৰ গুমগুমনি আৰু পেঁপাৰ শব্দেৰে মুখৰিত হৈ উঠিছে। ঠাই বিশেষে আবাল-বৃদ্ধ বণিতা সকলো বিহু হুঁচৰিৰ আখৰাত ব্যস্ত হৈ উঠা পৰিলক্ষিত হৈছে। বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। পৰহিলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। বুধবাৰে মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাচিব। কামৰূপ জিলাৰ বকোৰ বিভিন্ন প্ৰান্তত বিহুৰ কৰ্মশালা আয়োজিত হৈছে। বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ উদ্যোগত অনুষ্ঠিত ১৩ দিনীয়া বিহু নৃত্য তথা ঢোলৰ প্ৰশিক্ষণ কাৰ্যসূচীত কামৰূপ আৰু গোৱালপাৰা জিলাৰ এহেজাৰ দুশতকৈ অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। ২৩ গৰাকী প্ৰশিক্ষকে অংশগ্ৰহণকাৰীসকলক এই প্ৰশিক্ষণ দিয়ে।

ৰাজ্যবাসীয়ে হুচৰিৰ আখৰা সম্পূৰ্ণ কৰাৰ লগতে জীয়ৰী-বোৱাৰীসকলে বিহুৰ বাবে পিঠাপনা, জা-জলপানৰ যোগাৰ সম্পূৰ্ণ কৰিছে। গুৱাহাটী মহানগৰীত নেডফিহাট, লক্ষীধৰ বৰা ক্ষেত্ৰৰ উপৰি ৰাজ্যখনৰ বিভিন্ন স্থানত বিহু উপলক্ষে বিপণী মুকলি কৰা হৈছে। এই মেলাত পিঠাপনা, হস্তশিল্প, বস্ত্ৰ আদি সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিপণীৰ ব্যৱস্থা কৰা হৈছে। বিহুৰ পূৰ্বে আজি দেওবাৰে মহানগৰীৰ ফাঁচী বজাৰত বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। নতুন কাপোৰ ক্ৰয় কৰাৰ বাবে বিপণীয়ে বিপণীয়ে অগণন গ্ৰাহকে ভিৰ কৰা পৰিলক্ষিত হয়। একেদৰে মহানগৰীৰ গণেশগুৰি, পাণবজাৰ, মালিগাঁও, বামুণীমৈদাম, নাৰেংগী আদি স্থানসমূহৰ লগতে বিভিন্ন শ্বপিং মলসমূহতো গ্ৰাহকৰ ভিৰ দেখা যায়। বহিঃৰাজ্যৰ যন্ত্ৰচালিত তাঁতশালৰ গামোচা কোনো অসাধু ব্যৱসায়ীয়ে যাতে বিক্ৰী কৰিব নোৱাৰে তাৰবাবে অসম চৰকাৰৰ হস্তুতাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বজাৰসমূহত সতৰ্ক দৃষ্টি ৰাখিছে। আমবাৰীৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ৰ চৌহদত থলুৱা শিল্পীয়ে বোৱা গামোচা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। মহানগৰীৰ ঠায়ে ঠায়ে দিয়া আত্মসহায়ক গোটসমূহৰ গামোচাৰ বিপণীতো গ্ৰাহকৰ যথেষ্ট ভিৰ দেখা গৈছে।

ooooo

কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত আজিৰে পৰা তিনিদিনীয়াকৈ ত্ৰয়োদশ বাওখুংগ্ৰী মহোৎসৱ অনুষ্ঠিত হৈছে। এই উৎসৱৰ অংশ হিচাপে বাওখুংগ্ৰী পাহাৰ বগোৱা প্ৰতিযোগিতা, চাইক্লিং, পেৰাগ্লাইদিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিটিচিৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰীয়ে এই মহোৎসৱ উদ্বোধন কৰে।

(বাইট)

উৎসৱৰ সৈতে সংগতি ৰাখি বড়ো জনগোষ্ঠীৰ থলুৱা খেল ধেমালীৰ লগতে বৈসাগু আৰু বাগৰুম্বা নৃত্য প্ৰদৰ্শনৰ দিহা কৰা হৈছে। উল্লেখযোগ্য যে বড়ো জনগোষ্ঠীৰ নৱবৰ্ষৰ উৎসৱ বৈশাগু বা ৰঙালী বিহুৰ পূৰ্বে জনগোষ্ঠীটোৱে এই বাওখুংগ্ৰী পাহাৰ বগোৱা উৎসৱৰ আয়োজন কৰে। পৰম্পৰাগত বিশ্বাস অনুসৰি এই পাহাৰ বগাই শীৰ্ষলৈ গৈ ইষ্ট দেৱতাৰ আৰাধনা কৰাৰ দ্বাৰা বছৰটোলৈ অসুখ, অশান্তি, আৰু দুৰ্ভাগ্য নাশ হয়। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

০০০০০

গুৱাহাটীৰ পাণবজাৰ আৰক্ষীয়ে নিৰ্বাচনী আচৰণবিধি ভংগৰ অভিযোগত মধ্য গুৱাহাটী সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুংকি চৌধুৰীক আজি সোধাপোছা কৰে। প্ৰাৰ্থীগৰাকীয়ে নিৰ্বাচনৰ সময়ত আচৰণবিধি ভংগ কৰা বুলি এজন লোকে পাণবজাৰ থানাত এজাহাৰ দাখিল কৰিছিল। এই এজাহাৰৰ ভিত্তিত পাণবজাৰ আৰক্ষীয়ে আজি পুৱাৰ ভাগত থানাত হাজিৰ হ'বলৈ কুংকি চৌধুৰীলৈ জাননী জাৰি কৰিছিল। আৰক্ষীয়ে তেওঁক প্ৰায় দুঘণ্টা সময় সোধাপোছা কৰে। অৱশ্যে সংবাদমাধ্যমৰ আগত এ জে পিৰ প্ৰাৰ্থীগৰাকীয়ে নিৰ্বাচনী বিধি উলংঘনৰ অভিযোগ নস্যাৎ কৰে।

০০০০০

বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই অভিনেতা, নাট পৰিচালক তথা ওদালগুৰিৰ নেচনেল স্কুল অৱ ড্ৰামাৰ দাপোন নামৰ সংস্থাটোৰ পৰিচালক পৱিত্ৰ ৰাভাক চলিত বৰ্ষৰ বৰপেটা বঁটা প্ৰদান কৰিব। পহিলা ব'হাগৰ দিনটোত এই বঁটা প্ৰদান কৰা হ'ব। এই বঁটাৰ সৈতে স্মাৰক, মানপত্ৰ তথা নগদ ধনো আগঢ়োৱা হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লক্ষ্ণৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে গুজৰাট টাইটানছক জয়ৰ বাবে ১৬৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৮ উইকেটৰ বিনিময়ত ১৬৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ এইডেন মাৰক্ৰামে সৰ্বাধিক ৩০ ৰান কৰে। গুজৰাটৰ হৈ প্ৰসিদ্ধ্ কৃষ্ণাই চাৰিটা উইকেট লাভ কৰে।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত মুম্বাই ইণ্ডিয়ানছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগলুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত